**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-MAY-2026 **Time :** 0755 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নৱগঠিত চৰকাৰখনে অহা ৫ বছৰত ৰাজ্যৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ অংগীকাৰ লৈছে। ষোড়শ অসম বিধানসভা অধিৱেশনৰ কালি চতুৰ্থ দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে উন্নয়ন, সুশাসন আৰু জনকল্যাণৰ জৰিয়তে এখন শক্তিশালী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। কালি সদনত দিয়া ভাষণ প্ৰসংগত তেওঁ ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ উল্লেখনীয় পৰিৱৰ্তনৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰে। তেওঁ কয়, যে গোৱালপাৰা, বজালী আৰু হাইলাকান্দিকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত ১৪ খন চিকিৎসা মহাবিদ্যালয় ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ১১ খনৰ নিৰ্মাণকাৰ্য চলি আছে। অহা ৫ বছৰৰ ভিতৰত অসমৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ আগবাঢ়িছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে অসমে প্ৰসূতি মৃত্যুৰ হাৰ হ্ৰাস কৰি ৰাষ্ট্ৰীয় গড়কো অতিক্ৰম কৰিছে। ৰাজ্যত প্ৰসূতি মৃত্যুৰ হাৰ ২০০৬ চনত প্ৰতি লাখৰ বিপৰীতে ৪৮০ আছিল যদিও এই হাৰ চলিত বছৰত ৮৪ লৈ হ্ৰাস পাইছে। এই হাৰ ৰাষ্ট্ৰীয় গড় ৮৭তকৈ কম হোৱাটো অসমৰ স্বাস্থ্য খণ্ডৰ বাবে এক উল্লেখযোগ্য সফলতা বুলি তেওঁ কয়।

**বাইট (চি এম)**

oooooooo

ষোড়শ অসম বিধানসভা অধিৱেশনৰ কালি চতুৰ্থ দিনা মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ সন্দৰ্ভত লোৱা চৰকাৰী সংকল্প প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গৃহীত হয়। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অজন্তা নেওগে যোৱা ২৫ মে’ত সদনত উত্থাপন কৰা এই সংকল্প প্ৰস্তাৱৰ সমৰ্থন আৰু বিৰোধিতা কৰি কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ধৰি মুঠ ২৯ গৰাকী বিধায়কে নিজ নিজ বক্তব্য ৰাখে আৰু সৰ্বসন্মতিক্ৰমে এই সংকল্প প্ৰস্তাৱটো গৃহীত হোৱা বুলি অধ্যক্ষ ৰণজিত কুমাৰ দাসে ঘোষণা কৰে। আজি অধিৱেশনৰ পঞ্চম তথা অন্তিম দিনা বহুচৰ্চিত ইউ চি চি বিধেয়কখন পাৰিত কৰা হ’ব। বিধেয়কখনক লৈ বিধানসভাত আজি তুমুল বিতৰ্ক হোৱা সম্ভাৱনা আছে।

ooooooooo

সৰ্ব ভাৰতীয় কংগ্ৰেছ কমিটীয়ে অসমত কংগ্ৰেছ বিধায়িনী দলৰ নেতা হিচাপে ৰাজেদ আলী চৌধুৰীক আৰু উপ-নেতাৰূপে ডঃ জয়প্ৰকাশ দাসক নিযুক্তি দিছে। দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে চি

বেনুগোপালে জনোৱা অনুসৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিয়ে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এই নিযুক্তি প্ৰদান কৰিছে। উল্লেখযোগ্য যে এইবাৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে ১৯ খন আসন লাভ কৰিছিল।

০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ সকলো অনুমোদিত বিদ্যালয়ৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়ন প'ৰ্টেল অহা ৩০ মে' পৰ্যন্ত পুনৰ মুকলি কৰা হৈছে। পৰিষদৰ সচিবে কালি এটা জাননীযোগে এই কথা সদৰি কৰে। জাননীত উল্লেখ থকা অনুসৰি প'ৰ্টেলত পঞ্জীয়নভুক্ত ছাত্ৰ-ছাত্ৰীৰ তথ্য সংশোধনৰ বিকল্পও উপলব্ধ থাকিব। বিদ্যালয়সমূহে পঞ্জীয়ন প'ৰ্টেলত গৈ ধন পৰিশোধ কৰাৰ পাছত ফৰ্ম-ফিফটি ডাউনলোড কৰিব লাগিব। উল্লেখযোগ্য যে সময়সীমা উকলাৰ পূৰ্বে আগতে বাদ পৰা ছাত্ৰ-ছাত্ৰীকো বিদ্যালয়সমূহে প্ৰয়োজন সাপেক্ষে নতুনকৈ প'ৰ্টেলত যোগ কৰিব পাৰিব।

০০০০০০০০

অসম মীন উন্নয়ন নিগমৰ চৰকাৰী পুঁজিৰ অপব্যৱহাৰ অভিযোগ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে কালি গুৱাহাটীকে ধৰি ৰাজ্যৰ ভিন ভিন ঠাইত অভিযান চলাই ৮ জন বিষয়াক আটক কৰে। গুৱাহাটীৰ লগতে বেলশৰ, গৌৰীপুৰ আৰু ৰহাকে ধৰি বিভিন্ন স্থানত চলোৱা এই অভিযানত আটক হোৱা বিষয়া কেইগৰাকী মীন উন্নয়ন নিগমৰ পূৰ্বৰ পৰিচালন সঞ্চালক অনুৰাধা অধিকাৰী শৰ্মা, পূৰ্বৰ কাৰ্যবাহী অভিযন্তা জ্যোতিষ শইকীয়া আৰু বিৰিঞ্চি অধিকাৰী, পূৰ্বৰ সহকাৰী কাৰ্যবাহী অভিযন্তা জ্যোতি প্ৰসাদ শইকীয়া, পূৰ্বৰ সহকাৰী অভিযন্তা ছাবুৰউদ্দিন আহমেদ, পূৰ্বৰ প্ৰকল্প প্ৰৱন্ধক ভগীৰথ দাস আৰু প্ৰতিষ্ঠানটোৰ পূৰ্বৰ সহকাৰী কাৰিকৰী বিষয়া ৰবীন্দ্ৰ নাৰায়ণ ডেকাৰ লগতে আন এগৰাকী তদানীন্তন পৰিচালন সঞ্চালক তথা ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ যুটীয়া সচিব নৰেন চন্দ্ৰ বসুমতাৰী বুলি সঞ্চালকালয়ে প্ৰকাশ কৰিছে। তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এই সন্দৰ্ভত ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ০০০০০০০০

**সমাপ্ত**